**NSD NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 15-10-2026**
**Time : 19-10 Hrs**

## HEADLINES

০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইবাৰৰ এছিয়ান গেমছক ভাৰতৰ বাবে স্মৰণীয় বুলি অভিহিত কৰিছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে গ্ৰামাঞ্চলৰ মহিলাৰ সৱলীকৰণৰ হকে আহ্বান জনাইছে।

৩। উচ্চতম ন্যায়ালয়ে হিন্দু ধৰ্মৰ পৰা ইছলাম বা অন্য ধৰ্মলৈ ধৰ্মান্তৰিত হোৱা লোকসকলে পিছপৰা শ্ৰেণীৰ শাখাৰ অধীনত স্বয়ংক্ৰিয়ভাৱে সংৰক্ষণৰ সুবিধা দাবী কৰিব নোৱাৰিব বুলি ৰায় দিছে।

৪। প্ৰতিৰক্ষা মন্ত্ৰালয়ে বায়ু সেনাৰ বাবে সুকীয়া যোগাযোগ উপগ্ৰহ জি ছেট চেভেন চি আৰু নৌসেনাৰ বাবে পানীৰ তলেৰে নিক্ষেপ কৰিব পৰা বৰুণাস্ত্ৰ নামৰ গধুৰ ক্ষেপণাস্ত্ৰ ক্ৰয় কৰাৰ বাবে ৪ হাজাৰ কোটিৰো অধিক টকাৰ দুখন চুক্তিত স্বাক্ষৰ কৰিছে।

*আৰু*

৫। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মুখ্যমন্ত্ৰীৰ নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ অক্টোবৰৰ প্ৰথম কিস্তিৰ ধন মুকলি কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত অলপতে জাপানত  অনুষ্ঠিত এছিয়ান গেমছত অংশগ্ৰহণ কৰা ভাৰতীয় দলৰ খেলুৱৈসকলৰ সৈতে মত-বিনিময় কৰে। কথোপকথন কালত প্ৰধানমন্ত্ৰীয়ে এইবাৰৰ এছিয়ান গেমছক ভাৰতৰ বাবে স্মৰণীয় বুলি অভিহিত কৰে। তেওঁ লগতে জাপান এছিয়ান গেমছত ভাৰতীয় খেলুৱৈসকলে বিভিন্ন শিতানত আগবঢ়োৱা অভূতপূৰ্ব প্ৰদৰ্শনৰ বিষয়ে আলোকপাত কৰে। উল্লেখযোগ্য যে, ভাৰতে এইবাৰৰ এছিয়ান গেমছত ৮৫ টা পদক লাভ কৰি প্ৰতিযোগিতাৰ পদক তালিকাত চতুৰ্থ স্থান লাভ কৰে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে গ্ৰামাঞ্চলৰ মহিলাৰ সৱলীকৰণৰ হকে আহ্বান জনাইছে। ৰাষ্ট্ৰপতি মুৰ্মুৰে আজি বিজয়ৱাড়াত অন্ধ্ৰ প্ৰদেশৰ ৰাজ্যপাল এছ্ আব্দুল নজিৰ, মুখ্যমন্ত্ৰী এম চন্দ্ৰবাবু নাইডু আৰু কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰীৰ উপস্থিতিত ৰাষ্ট্ৰীয় ছৰছ মেলা উদ্বোধন কৰি কয়, যে ২০৪৭ চনৰ পূৰ্বে বিকশিত ভাৰতৰ সপোন বাস্তৱায়িত কৰাৰ বাবে ৰাষ্ট্ৰ গঠন প্ৰক্ৰিয়াত মহিলাসকলৰ সক্ৰিয় অংশগ্ৰহণ অতিকে জৰুৰী। তেওঁ কয়, যে আত্ম-সহায়ক গোটৰ সৈতে জড়িত মহিলাসকল ইতিমধ্যে আত্ম-নিৰ্ভৰশীল হৈ উঠিছে আৰু নিজৰ পৰিয়াল, গ্ৰাম্য অৰ্থব্যৱস্থা আৰু ৰাষ্ট্ৰীয় উন্নয়নত চকুত লগা ধৰণে বৰঙণি আগবঢ়াবলৈ সমৰ্থ হৈছে। আত্ম-সহায়ক গোটসমূহে কৃষি, পশুপালন আৰু ক্ষুদ্ৰ ব্যৱসায়ত মহিলাৰ বাবে কৰ্ম-সংস্থাপনৰ সুযোগ সৃষ্টি কৰিছে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। ছৰছ মেলাক গ্ৰাম্য উন্নয়নৰ গুৰুত্বপূৰ্ণ মঞ্চ বুলি অভিহিত কৰি শ্ৰীমতী মুৰ্মুৰে

কয়, যে এই মেলাই মহিলা উদ্যমীসকলক তেওঁলোকৰ উৎপাদিত সামগ্ৰী প্ৰদৰ্শন, গ্ৰাহকসকলৰ সৈতে পোনপটীয়াকৈ সংযুক্ত হোৱা আৰু নগৰাঞ্চলৰ বজাৰ দখল কৰাত সহায় কৰিছে। তেওঁ লগতে কলম্‌কাৰী আৰু পুতলা নিৰ্মাণকে ধৰি অন্ধ্ৰ প্ৰদেশৰ পৰম্পৰাগত শিল্পৰ প্ৰসাৰৰ বাবে চলোৱা প্ৰয়াসৰ বিষয়ে আলোকপাত কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে কয়, যে ৩ কোটি মহিলাক লাখপতি বাইদেউ হিচাপে গঢ়ি তোলাৰ লক্ষ্য নিৰ্ধাৰিত সময়ৰ পূৰ্বে পূৰণ হৈছে। কেন্দ্ৰীয় চৰকাৰে এতিয়া ৬ কোটি মহিলাক লাখপতি বাইদেউ হিচাপে গঢ়ি তোলাৰ লক্ষ্য স্থিৰ কৰিছে আৰু চাৰে ৩ কোটি মহিলাই ইতিমধ্যে এনে সাফল্য অৰ্জন কৰিছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০

উচ্চতম ন্যায়ালয়ে হিন্দু ধৰ্মৰ পৰা ইছলাম বা অন্য ধৰ্মলৈ ধৰ্মান্তৰিত হোৱা লোকসকলে পিছপৰা শ্ৰেণীৰ শাখাৰ অধীনত স্বয়ংক্ৰিয়ভাৱে সংৰক্ষণৰ সুবিধা দাবী কৰিব নোৱাৰিব বুলি ৰায় দিছে। মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ ৰায়ক প্ৰত্যাহ্বান জনাই তামিলনাডু চৰকাৰে দাখিল কৰা এখন আবেদন অগ্ৰাহ্য কৰি ন্যায়াধীশ প্ৰশান্ত কুমাৰ মিশ্ৰ আৰু চন্দ্ৰশেখৰক লৈ গঠিত এখন বিচাৰপীঠে কয়, যে হিন্দু সামাজিক ব্যৱস্থাত পিছপৰা শ্ৰেণী বা অনুসূচিত জাতিৰ অন্তৰ্ভুক্ত কোনো এগৰাকী ব্যক্তি ধৰ্মান্তৰিত হ'লে পূৰ্বৰ সংৰক্ষণৰ সুবিধা অব্যাহত নাথাকিব। হিন্দু ধৰ্মৰ পৰা অন্য ধৰ্মলৈ ধৰ্মান্তৰিত হ'লেই এগৰাকী ব্যক্তিয়ে পিছপৰা শ্ৰেণীৰ সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত নহয় বুলি বিচাৰপীঠখনে প্ৰকাশ কৰে। সৰ্বোচ্চ ন্যায়ালয়ে লগতে সংবিধানৰ ১৬ নম্বৰ অনুচ্ছেদৰ ৪ নম্বৰ দফাৰ অধীনত পূৰ্বতে পিছপৰা শ্ৰেণী বা অনুসূচিত জাতি অন্তৰ্ভুক্ত হোৱা বাবেই ধৰ্মান্তৰিত হোৱাৰ পাছতো সংৰক্ষণৰ সুবিধা প্ৰদান কৰিব পৰা নাযায় বুলি স্পষ্ট কৰি দিয়ে। হিন্দু, শিখ অথবা বৌদ্ধ ধৰ্মৰ বাহিৰে অন্য ধৰ্মাৱলম্বী ব্যক্তিয়ে অনুসূচিত জাতিৰ মৰ্য্যাদা হেৰুৱায় বুলি বিচাৰপীঠখনে পুনৰ প্ৰকাশ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসেৱাৰ জৰিয়তে দেশ সেৱাৰ লক্ষ্যৰে ৰাজহুৱা সেৱাৰ ক্ষেত্ৰত ২৫ বছৰ সফলতাৰে সম্পূৰ্ণ কৰিছে আৰু সম্পূৰ্ণ দায়বদ্ধতাৰে এই সেৱা অব্যাহত ৰাখিছে। সেৱা আৰু সুশাসনৰ লক্ষ্যৰে চৰকাৰে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে নিৰন্তৰ কাম কৰি আছে। সৰ্বাত্মক বিকাশ আৰু সামাজিক সবলীকৰণৰ জৰিয়তে চৰকাৰৰ এই নিষ্ঠাপূৰ্ণ সেৱাই জনসাধাৰণৰ জীৱনত ৰূপান্তৰ সাধন কৰিবলৈ সমৰ্থ হৈছে। এই শৃংখলাত আজি **গিভ ইট আপ অভিযান**ৰ দৰে উদ্যমৰ জৰিয়তে কিদৰে এই দৃষ্টিভংগী বাস্তৱায়িত কৰা হৈছে, সেই বিষয়ে আলোকপাত কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰন্ধন গেছৰ ৰাজ সাহায্য স্বেচ্ছাই ত্যাগ কৰাৰ বাবে গ্ৰাহকসকলক উৎসাহিত কৰাৰ উদ্দেশ্যে ২০১৫ চনত এই অভিযান আৰম্ভ কৰিছিল। এই অভিযানৰ অধীনত ১ কোটি ১৩ লাখৰো অধিক ৰন্ধন গেছ গ্ৰাহকে স্বেচ্ছাই ৰাজ সাহায্য ত্যাগ কৰিছে। ইয়াৰ ফলত ৰাহি হোৱা ধনেৰে প্ৰধান মন্ত্ৰী উজ্বলা যোজনাৰ অধীনত দুখীয়া পৰিয়ালসমূহক ৰন্ধন গেছৰ সংযোগ প্ৰদান সম্ভৱ হৈ উঠিছে। এই পদক্ষেপে বিশেষকৈ, খাদ্য ৰন্ধাৰ বাবে খৰি আৰু গোবৰ ব্যৱহাৰ কৰা গ্ৰামাঞ্চলৰ মহিলাসকলক উপকৃত কৰিছে। চৰকাৰে প্ৰধানমন্ত্ৰী উজ্বলা যোজনাৰ অধীনত সমগ্ৰ দেশৰ বিভিন্ন প্ৰান্তৰ দুখীয়া পৰিয়ালৰ মহিলাসকলক ১০ কোটি ৫৬ লাখ বিনামূলীয়া ৰন্ধন গেছৰ সংযোগ প্ৰদান কৰিছে। ২০১৫ চনৰ দিল্লী অৰ্থনৈতিক সন্মিলনত ভাষণ দি প্ৰধানমন্ত্ৰী মোদীয়ে গিভ ইট আপ

অভিযানে নাগৰিকসকলক দুখীয়া পৰিয়ালসমূহক নিকা ইন্ধন আহৰণত সহায় কৰাৰ বাবে ঐক্যবদ্ধ হ'বলৈ অনুপ্ৰেৰণা যোগোৱা বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

-বাইট-

গিভ ইট আপ অভিযানে জনসাধাৰণৰ মাজত সামাজিক দায়বদ্ধতাৰ ভাৱ জগাই তুলিছে আৰু সকলোৰে বাবে নিকা ৰন্ধন ইন্ধন সুনিশ্চিত কৰাৰ বাবে চৰকাৰে চলোৱা প্ৰচেষ্টাত সহায় কৰিছে।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰালয়ে ভাৰতীয় বায়ু সেনাৰ বাবে সুকীয়া যোগাযোগ উপগ্ৰহ জি ছেট চেভেন চি আৰু নৌসেনাৰ বাবে পানীৰ তলেৰে নিক্ষেপ কৰিব পৰা বৰুণাস্ত্ৰ নামৰ গধুৰ ক্ষেপণাস্ত্ৰ ক্ৰয় কৰাৰ বাবে ৪ হাজাৰ কোটিৰো অধিক টকাৰ দুখন চুক্তিত স্বাক্ষৰ কৰিছে। নতুন দিল্লীত আজি প্ৰতিৰক্ষা বিভাগৰ অতিৰিক্ত সচিব আৰু ক্ৰয় শাখাৰ সঞ্চালক প্ৰধান এ আনবাৰাছুৰ উপস্থিতিত এই চুক্তি স্বাক্ষৰ কৰা হয়। জি ছেট চেভেন চি উপগ্ৰহৰ বাবে বেংগালুৰুৰ নিউ স্পেচ ইণ্ডিয়া লিমিটেডৰ সৈতে দুহেজাৰ ৫০০ কোটিতকৈও অধিক টকাৰ চুক্তি স্বাক্ষৰ কৰা হৈছে। মন্ত্ৰালয়ে কৈছে, যে ঘৰুৱা আৰ্হিত নিৰ্মিত এই উপগ্ৰহই বায়ুসেনাৰ নিৰাপদ, শক্তিশালী আৰু নিৰৱচ্ছিন্ন যোগাযোগ ক্ষমতা অধিক শক্তিশালী কৰিব।

আনহাতে, জাহাজৰ পৰা পানীৰ তলেৰে নিক্ষেপ কৰিব পৰা বৰুণাস্ত্ৰ নামৰ গধুৰ ক্ষেপণাস্ত্ৰৰ বাবে হায়দৰাবাদৰ ভাৰত ডায়নামিক্স লিমিটেডৰ সৈতে এহেজাৰ ৫০০ কোটিতকৈও অধিক টকাৰ চুক্তি স্বাক্ষৰিত হৈছে। উল্লেখযোগ্য যে, নৌসেনাৰ বিজ্ঞান আৰু প্ৰযুক্তিৰ গৱেষণাগাৰে নিৰ্মাণ কৰি উলিওৱা এই ক্ষেপণাস্ত্ৰই শত্ৰুৰ চাবমেৰিনসমূহক বহু দূৰত্বৰ পৰাই লক্ষ্য কৰি ল'ব পাৰে। ইয়াৰ ফলত নৌসেনাৰ চাবমেৰিন বিধ্বংসী শক্তি বৃদ্ধি পাব। মন্ত্ৰালয়ে কৈছে, যে এই চুক্তি দুখনে প্ৰতিৰক্ষা খণ্ডৰ ঘৰুৱা উৎপাদন ক্ষমতা বৃদ্ধি কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ লগতে চৰকাৰৰ আত্ম-নিৰ্ভৰ ভাৰত আৰু মেক-ইন ইণ্ডিয়া দৃষ্টিভংগী বাস্তৱায়িত কৰাৰ বাবে আত্ম-নিৰ্ভৰশীলতা বৃদ্ধি কৰিব।

০০০০০

অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মুখ্যমন্ত্ৰীৰ নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ অক্টোবৰৰ প্ৰথম কিস্তিৰ ধন মুকলি কৰে। এই উপলক্ষে গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত কেন্দ্ৰীয় অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে এই আঁচনিৰ পৰিকল্পনা আৰু ইয়াৰ সুদূৰ প্ৰসাৰী প্ৰভাৱৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয়, যে ২০২৩ চনৰ ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপত অসমৰ বিভিন্ন জিলাত বাল্য বিবাহ আৰু কম বয়সতে মাতৃত্বৰ দায়িত্ব লোৱা কিশোৰীৰ সংখ্যা অধিক বুলি প্ৰকাশ পাইছিল। ধুবুৰী আৰু দক্ষিণ শালমাৰা মানকাচৰ জিলাত ৬০ শতাংশ কিশোৰীয়ে ১৩-১৪ বছৰ বয়সতে মাতৃত্বৰ বোজা বহন কৰিবলগীয়া হয় বুলি জৰীপত প্ৰকাশ পোৱাৰ কথাও মুখ্যমন্ত্ৰীয়ে কয়। ইয়াৰ পাছতে ৰাজ্য চৰকাৰে বাল্য বিবাহৰ বিৰুদ্ধে অভিযান চলাই ১০ হাজাৰৰো অধিক লোকক গ্ৰেপ্তাৰ কৰা বুলি মুখ্যমন্ত্ৰীয়ে কয়।

এই অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়া, বিধায়ক প্ৰদ্যুৎ বৰদলৈকে ধৰি আন কেইবাগৰাকী বিধায়ক উপস্থিত থাকে।

এই আঁচনিৰ দ্বাৰা ৫ লাখ ৪২ হাজাৰ ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব। নিযুত মইনা আঁচনিৰ অধীনত একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰীসকলক ৮০০ টকাকৈ, স্নাতক ছাত্ৰীসকলক এহেজাৰ ২৫০ টকাকৈ, স্নাতকোত্তৰ আৰু

বি এডৰ ছাত্ৰীসকলক দুহেজাৰ ৫০০ টকাকৈ আৰু পলিটেকনিকৰ ছাত্ৰীসকলক ৮০০ টকাকৈ প্ৰদান কৰা হ'ব। একেদৰে নিযুত বাবু আঁচনিৰ অধীনত স্নাতক ছাত্ৰসকলক এহেজাৰ টকাকৈ আৰু স্নাতকোত্তৰ ছাত্ৰসকলক দুহেজাৰ টকাকৈ প্ৰদান কৰা হ'ব।

০০০০০

সমাপ্ত